**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :06**-DEC-2025 **Time :** 12-05 Hrs

***Assamese Midday Bulletin***
***Headlines***
**--------------------**

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি হাইলাকান্দিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব।

২। কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ’ এয়াৰ লাইন্সৰ বিমান সেৱাৰ বিপৰ্যয়ক লৈ তদন্ত ঘোষণা কৰিছে।

৩। ৰাজ্যজুৰি আজি ৬৩ সংখ্যক সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱস উদযাপন কৰা হৈছে।

আৰু

৪। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ’ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দুদিনীয়া ভ্ৰমণসূচীৰে আজি শিলচৰলৈ যাব। তেওঁ হাইলাকান্দি আৰু শিলচৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে শিলচৰত উপস্থিত হৈ হাইলাকান্দিলৈ যাব আৰু তাত দিনৰ ভাগত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰিব। কাইলৈও মুখ্যমন্ত্ৰীয়ে কেইবাটাও কাৰ্যসূচীত অংশ ল’ব। এই সন্দৰ্ভত শিলচৰৰ পৰা এয়া আমাৰ সংবাদদাতা আঁখীৰাণী দাস-

*(বাইট ঃ দাস)*

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ইণ্ডিগ’ এয়াৰ লাইন্সৰ বিমান সেৱাৰ বিপৰ্যয়ক লৈ তদন্ত ঘোষণা কৰিছে। ইয়াৰ বাবে এখন চাৰিজনীয়া সমিতি গঠন কৰা হৈছে। ১৫ দিনৰ ভিতৰত এই বিপৰ্যয়ৰ কাৰণ আৰু গাফিলতি সন্দৰ্ভত অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ সমিতিখনক নিৰ্দেশ দিয়া হৈছে। সমিতিখনে বিমান পৰিবহণ সংস্থাটোৰ কৰ্মচাৰী, পাইলটকে ধৰি কৰ্তৃপক্ষৰ অৱহেলা সন্দৰ্ভতো তদন্ত কৰিব।

ইপিনে, অসামৰিক বিমান পৰিবহণ মন্ত্ৰী ৰামমোহন নাইডুৱে ইণ্ডিগ’ৰ বিমান সেৱা আজি সামান্য উন্নত হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰৰ মূল উদ্দেশ্য হৈছে বিমানবন্দৰত সৃষ্টি হোৱা অসুবিধাজনক পৰিস্থিতি নিয়ন্ত্ৰণ কৰা আৰু এই ক্ষেত্ৰত সকলো অংশীদাৰৰ সৈতে সক্ৰিয়ভাৱে যোগাযোগ ৰক্ষা কৰা হৈছে। নতুন দিল্লীত সাংবাদিকৰ আগত শ্ৰীনাইডুৱে কয়, যে অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সকলো বিমানবন্দৰ আৰু বিমান পৰিবহণ সংস্থাৰ সৈতে যোগাযোগ ৰক্ষা কৰি শিশু, মাতৃ, জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগসকলক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনাইছে।

০০০০০০

কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে কৃষকসকলৰ কৃষি ভূমি, শস্য তথা আনুসংগিক সেৱাৰ তথ্য সমূহ একত্ৰিত কৰি এটা ডিজিটেল প্লেটফৰ্মত উপলব্ধ কৰোৱাৰ উদ্দেশ্যে আৰম্ভ কৰা এগ্ৰিষ্টেক নামৰ এপত পঞ্জিয়নৰ কাম বিভিন্ন জিলাত পূৰ্ণ গতিত চলি আছে। ধেমাজি জিলাৰ ১২ হাজাৰ ৯৩৩ গৰাকী কৃষকক এগ্ৰিষ্টেকত পঞ্জিয়নৰ লক্ষ্যৰে যোগ্য কৃষকসকলৰ ঘৰে ঘৰে গৈ সমিক্ষা চলোৱা হৈছে। জিলায়ুক্ত ৰাহুল সুৰেশ জাবিৰে কালি এখন সংবাদমেলত প্ৰকাশ কৰা অনুসৰি জিলাখনত বৰ্তমানলৈকে

৫৭ দশমিক ৯-৪ শতাংশ পঞ্জিয়ন সফলতাৰে সম্পন্ন হৈছে আৰু চলিত মাহৰ ভিতৰতে বাকী থকা কৃষকসকলৰ পঞ্জিয়ন সম্পন্ন কৰা হ'ব।

০০০০০০০

ভাৰতৰ সংবিধান প্ৰণেতা, সমাজ সংস্কাৰক, আইনজ্ঞ তথা ভাৰতৰত্ন সন্মানেৰে বিভূষিত ড° বি আৰ আম্বেদকাৰৰ আজি ৭০ সংখ্যক মৃত্যু বাৰ্ষিকীত সমগ্ৰ দেশে তেওঁক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। ড° আম্বেদকাৰৰ মৃত্যু বাৰ্ষিকী উপলক্ষে দেশৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আজি পুৱা নতুন দিল্লীৰ সংসদভৱন চৌহদৰ প্ৰেৰণাস্থলত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° আম্বেদকাৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবিধান প্ৰণেতাগৰাকীৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যবাসীৰ হৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন অংশত আজি ৬৩ সংখ্যক সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনী দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ পানীখাইটিৰ কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। অনুষ্ঠানত অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু গৃহৰক্ষী বাহিনীৰ জোৱানসকলে পেৰেড প্ৰদৰ্শন কৰাৰ লগতে অস্ত্ৰ-শস্ত্ৰ সঞ্চালনৰ সমৰকলা প্ৰদৰ্শন কৰে। তদুপৰি জৰুৰীকালীন সময়ত অথবা যুদ্ধৰ সময়ত ল'বলগীয়া সাৱধানতা তথা উদ্ধাৰ সম্পৰ্কীয় মকড্ৰিল প্ৰদৰ্শন কৰে। অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালা, অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালক প্ৰধানকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছে।

তিনিচুকীয়া জিলাৰ বৰগুৰিত থকা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ কাৰ্যালয়তো এই দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০০

ধেমাজিৰ গোগামুখত মিচিং স্বায়ত্ব শাসিত পৰিষদৰ সৌজন্যত অহা ১১ৰ পৰা ১৪ ডিচেম্বৰলৈ তৃতীয় দুলুং সোৱণশিৰি প্ৰকৃতি মহোৎসৱৰ আয়োজন কৰা হৈছে। এই মহোৎসৱৰ লগত সংগতি ৰাখি ৮ আৰু ৯ ডিচেম্বৰত উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় আৰু গোগামুখ মহাবিদ্যালয়ত প্ৰকৃতি বিষয়ক এখন ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে দুলুং সংৰক্ষিত বনাঞ্চল আৰু সোৱণশিৰি নদীৰ জৈৱ বৈচিত্ৰ আৰু ঐতিহ্যক লৈ ২০২৩ চনৰ পৰা এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০০

ৰাজ্যৰ কৃষিক্ষেত্ৰৰ সম্ভাৱনা আৰু কৃষকলৈ সা-সুবিধা সন্দৰ্ভত আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম বীজ আৰু জৈৱিক প্ৰমাণিকৰণ অভিকৰণৰ প্ৰাক্তন সঞ্চালক তথা প্ৰাক্তন যুটীয়া কৃষি সঞ্চালক মৌচম হাজৰিকা আৰু সোণাপুৰ চক্ৰৰ কৃষি উন্নয়ন বিষয়া সুপ্ৰিয়া বৰাই অংশ ল'ব। অনুষ্ঠানত কেইবাগৰাকীও কৃষকে নিজৰ অভিজ্ঞতা বিনিময় কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম মঙলদৈ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মৃণ্ময় হালৈৰ সৈতে এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ মঙলদৈৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰত কালি নিশা আৰক্ষীয়ে অভিযান চলাই পিষ্টলসহ এজন লোকক আটক কৰে। ধৃত যুৱকজন খুদিমাৰীৰ ৰফিকুল ইছলাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। লোকজন দীৰ্ঘদিন ধৰি বিভিন্ন অনৈতিক কাৰ্যৰ সৈতে জড়িত হৈ আছে বুলি আৰক্ষীয়ে জনাইছে। এই সংক্ৰান্তত লোকজনক জেৰা অব্যাহত আছে।

0000000

কোকৰাঝাৰ জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত কালি সন্ধিয়া ২৫ সংখ্যক বড়োলেণ্ড ছহিদ গ'ল্ড কাপ ফুটবল চেম্পিয়নশ্বিপ আৰম্ভ হয়। বি টি চিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীয়ে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কালিৰ উদ্বোধনী খেলত বিজনীৰ ফেৰেংগা ফুটবল ক্লাবে কচুগাঁৱৰ বৰদ্বি চিখলা স্পৰ্টছ্ ক্লাবক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ফেৰেংগা এফ চি চিমাং ব্ৰহ্মক প্লেয়াৰ অব্ দা মেচ ঘোষণা কৰা হয়। বড়ো আন্দোলনৰ সময়ত জীৱন উৎসৰ্গা কৰা ছহিদসকলৰ স্মৃতিত প্ৰতিবছৰে এই ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত বিজয়ী দলটোক ট্ৰফীসহ ১ লাখ টকা আৰু ৰানাৰ্ছ আপ দলটোক ৫০ হাজাৰ টকা প্ৰদান কৰা হ'ব।

0000000

দৃষ্টিহীন মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপ জয়ী কৰা ভাৰতীয় দলৰ অন্যতম সদস্যা সিমু দাসে কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। সাক্ষাৎকাৰত মুখ্যমন্ত্ৰীয়ে অসমক গৌৰৱান্বিত্ব কৰা সিমুক এই সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰে আৰু খেলুৱৈগৰাকীৰ ক্ৰীড়া যাত্ৰা আগুৱাই নিয়াৰ বাবে ১০ লাখ টকাৰ চেক প্ৰদান কৰে।

0000000

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন দিনৰ এক বাজি ৩০ মিনিটত আৰম্ভ হ'ব। দুয়োটা দলে ইতিমধ্যে শৃংখলাটোত ১-১ৰ সমতা স্থাপন কৰিছে। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টেষ্ট শৃংখলাত শোচনীয় পৰাজয়ৰ পাছত ভাৰতে আজি এদিনীয়া শৃংখলাটো দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাব।

00000000

সমাপ্ত